# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-10-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
**-------------------**

১। উন্নয়নমুখী পৰিকল্পনাৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰটো বৰ্তমান বিকশিত অঞ্চললৈ ৰূপান্তিৰত হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীৰ গুৱাহাটীত আজি নৱীকৰণযোগ্য শক্তি বিষয়ক আঞ্চলিক কৰ্মশালাত অংশগ্ৰহণ।

৩। দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী ৰাষ্ট্ৰীয় একতা দিৱসৰূপে পালন।

৪। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫ৰ পুৰস্কাৰসমূহ প্ৰদান। ***আৰু***

৫। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে মেলবৰ্ণৰ দ্বিতীয় টি-২০ত ভাৰত চাৰি উইকেটত পৰাজিত।

০০০০০

উন্নয়নমুখী পৰিকল্পনাৰ জৰিয়তে এসময়ত অৱহেলাপূৰ্ণ অঞ্চল বুলি খ্যাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰটো বৰ্তমান বিকশিত অঞ্চললৈ ৰূপান্তিৰত হৈছে বুলি আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি লখিমপুৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি এই সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। ভাষণ প্ৰসঙ্গত ড০ শৰ্মাই ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ খতিয়ান দাঙি ধৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

তেওঁ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত জনসাধাৰণক উদ্দেশি ভাষণ দিয়ে। তেওঁ এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। ড০ শৰ্মাই ইয়াৰ পূৰ্বে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰে। ভাষণ প্ৰসঙ্গত তেওঁ কৰ্কট ৰোগৰ চিকিৎসাত চিকিৎসকসকলতকৈও নাৰ্চসকলৰ অৱদান অধিক বুলি উল্লেখ কৰে। নাৰ্চিং কলেজৰ সন্দৰ্ভত তেওঁ কয় যে এই মহাবিদ্যালয়খনত বি এছ চি নাৰ্চিঙৰ উপৰি এম এছ চি নাৰ্চিঙৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ হৈছে বুলিও তেওঁ

মন্তব্য কৰে। ৰাজ্যত অহা চাৰি-পাঁচ বছৰৰ ভিতৰত ৩০খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰতি বছৰে দুখনকৈ মেডিকেল কলেজ স্থাপন কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। প্ৰতি বছৰে ৰাজ্য চৰকাৰে ৰাজ্যত প্ৰায় দুহেজাৰ গৰাকী নাৰ্চক নিযুক্তি দি আহিছে বুলি তেওঁ প্ৰকাশ কৰে। ছুপাৰ স্পেচিয়েলিটী হাস্পতালখনত কেইবাটাও বিভাগ স্থাপন কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ বাবে প্ৰয়োজনীয় অত্যাধুনিক সা-সৰঞ্জামৰো ব্যৱস্থা কৰা হ'ব।

ইয়াৰ পিছত তেওঁ ডুমডুমাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক প্ৰদানৰ লগতে ১৮৩ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ডুমডুমাৰ ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত আত্মসহায়ক গোটৰ ১৩ হাজাৰ ৮২২ গৰাকী হিতাধিকাৰীৰ মাজত উদ্যমিতা পুঁজিৰ ধন বিতৰণ কৰা হয়। ড০ শৰ্মাই এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে ৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ডুমডুমাৰ পুৰণি এ টি ৰোডৰ সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ডুমডুমা নগৰ আৰু কাষৰীয়া অঞ্চলত দুটাকৈ বান আৰু খহনীয়া প্ৰতিৰোধ প্ৰকল্প, প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ২৪ টা বিদ্যালয় ভৱন নিৰ্মাণ, ডুমডুমা মহাবিদ্যালয়ৰ ষ্টেডিয়াম নিৰ্মাণ, কেইবাখনো বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

০০০০০

কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি নৱীকৰণযোগ্য শক্তি বিষয়ত এখন আঞ্চলিক কৰ্মশালা উদ্বোধন কৰে। নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ উত্তৰ পূৰৰ মাণ্ডলিক শাখাই আয়োজন কৰা এই কৰ্মশালাত উত্তৰ পূৰ্বাঞ্চলৰ শক্তিমন্ত্ৰীসকল উপস্থিত থাকে।

০০০০০

বহু প্ৰতিক্ষাৰ অন্তত আজি অসম সহ দেশৰ বিভিন্ন প্ৰান্তত জুবিন গাৰ্গৰ অন্তিমখন ছবি **ৰৈ ৰৈ বিনালে** মুক্তি দিয়া হয়। ৰাজ্যৰ বহু ঠাইত পুৱা চাৰি বাজি ২৫ মিনিটত ছবিখনৰ প্ৰথমটো দৰ্শনী প্ৰদৰ্শন কৰা হয়। প্ৰাণৰ শিল্পীগৰাকীৰ শেষ ছবিখন উপভোগ  কৰিবলৈ ধলপুৱাতে বিভিন্ন ঠাইৰ ছবিগৃহসমূহত অনুৰাগীসকলে ভিৰ কৰে। পুৱাৰ ভাগত অহা বৰষুণকো নেওচি ডেকা-বুঢ়া নিৰ্বিশেষে সকলো বয়সৰ লোকে ছবিগৃহ ভিৰ কৰিছে। প্ৰতিটো ছবিগৃহতে অহা কিছুদিনলৈ সকলো দৰ্শনীৰ বাবে দৰ্শকসকলে টিকট ক্ৰয় কৰিছে।

কাছাৰ জিলাৰ শিলচৰৰ ছবিগৃহসমূহতো অগণন দৰ্শকৰ ভিৰ পৰিলক্ষিত হয়। ছবিখন উপভোগ কৰি অশ্ৰুসিক্ত নয়নেৰে শিল্পীগৰাকীক সোঁৱৰণ কৰে। কেইবাটাও ছবিগৃহত শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱা হয়। বৰপেটা জিলাতো পুৱাই অনুৰাগীসকলে ছবিখন উপভোগ কৰিবলৈ ছবিগৃহসমূহত ভিৰ কৰে। ছবিগৃহত শিল্পীগৰাকীৰ কালজয়ী সৃষ্টি মায়াবিনী ৰাতিৰ বুকুত শীৰ্ষক গীতটো গাই দৰ্শকসকলে প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধা জনায়।

০০০০০

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱস  পালন কৰা হয়। ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত আজি পুৱা

একতাৰ বাবে দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি চৰ্দাৰ বল্লভ ভাই পেটেললৈ শ্ৰদ্ধা নিবেদন কৰি বিভিন্ন কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় একতা দিৱসত বিচক্ষণ ৰাজনীতিবিদ গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে সকলোকে ৰাষ্ট্ৰীয় সংহতি আৰু একতা অক্ষুণ্ণ ৰখাৰ বাবে নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনাইছে।

ৰাষ্ট্ৰীয় একতা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ উদ্যোগত একতাৰ বাবে দৌৰ শীৰ্ষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। অসম আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে এই কাৰ্যসূচী মুকলি কৰে। এই সন্দৰ্ভত তেওঁ সাংবাদিকৰ আগত এইদৰে কয়-

*(বাইট ঃ হৰমিত সিং)*

খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰৰ পৰা উলিওৱা এই সমদলত অলিম্পিক পদক বিজয়ী বক্সাৰ লাভলীনা বৰগোঁহায়ে অংশ লয়।

*(বাইট ঃ লাভলীনা)*

বিশেষ শাখাৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হীৰেন নাথ, মহানগৰ আৰক্ষী আয়ুক্ত ড০ পাৰ্থসাৰথি মহন্তকে ধৰি কেইবাগৰাকীও বিভিন্ন বৰ্গৰ বিষয়া-কৰ্মচাৰী আৰু জোৱানে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

ধেমাজিত জিলা বিজেপিৰ উদ্যোগত একতা সমদল উলিওৱা হয়। **এক ভাৰত আত্মনিৰ্ভৰশীল ভাৰত, এক ভাৰত শ্ৰেষ্ঠ ভাৰত** শ্লোগানেৰে ভালেসংখ্যক লোকে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

চৰাইদেউ জিলাৰ সোণাৰীতো বিস্তৃত কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। মন্ত্ৰী যোগেন মহনে আজি চৰ্দাৰ বল্লৱভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। লৌহ পুৰুষগৰাকীৰ ডেৰশ বছৰীয়া জয়ন্তীৰ সৈতে সংগতি ৰাখি অনাগত দিনত ৰূপায়ণ হ'বলগীয়া বিভিন্ন কাৰ্যসূচী সম্পৰ্কে তেওঁ সংবাদমেলত অৱগত কৰে। কাৰ্যসূচী অনুসৰি অহা ৫ নৱেম্বৰত জিলাখনত স্বাস্থ্য শিবিৰ আৰু ৭ নৱেম্বৰত পদযাত্ৰা আৰু স্বদেশী মেলাৰ আয়োজন কৰা হ'ব বুলি তেওঁ কয়।

একতা দিৱস উপলক্ষে কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষীৰ উদ্যোগত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। নিচাযুক্ত দ্ৰব্য বিৰুদ্ধে যুৱ প্ৰজন্মক সজাগ কৰাৰ লক্ষ্যৰে এই বাটৰ নাট প্ৰদৰ্শন কৰা হয়। বাইহাটা চাৰিআলি আৰক্ষীৰ উদ্যোগত পুৱাৰ ভাগত একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়।

বজালীৰ জিলা বিজেপিৰ উদ্যোগত পাঠশালাত একতাৰ সমদল  শীৰ্ষক এটি কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা বিজেপিৰ কেইবাগৰাকীও কৰ্মীৰ এই সমদলত অংশ লৈ আধুনিক ভাৰতৰ ৰূপকাৰগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে।

বৰপেটাত জিলা প্ৰশাসন আৰু আৰক্ষীৰ উদ্যোগত একতাৰ দৌৰ কাৰ্যসূচী অনুষ্ঠিত হয়। আৰক্ষীৰ লগতে কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

পশ্চিম কাৰ্বি আংলঙতো জিলা আৰক্ষীৰ সহযোগত হামৰেনত ৰাষ্ট্ৰীয় একতা দিৱস কাৰ্যসূচী অনুষ্ঠিত হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি হামৰেন থানাৰ পৰা জিৰছং বিদ্যালয়লৈ একতাৰ সমদল উলিওৱা হয়।

০০০০০

শ্ৰীভূমি জিলা পৰিষদৰ কাৰ্যালয়ৰ সভাকক্ষত আজি মন্ত্ৰী কৃষ্ণেন্দু পালৰ সভাপতিত্বত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনত বৰ্তমান চলি থকা বিভিন্ন উন্নয়নমূলক কামৰ পৰ্যালোচনা কৰা হয়। লগতে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহক শক্তিশালীকৰণ আৰু অধঃস্তৰৰ বিভিন্ন চৰকাৰী কল্যানমূলক পৰিযোজনাসমূহৰ অধীনত কাৰ্যকৰীকৰণ সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠকত শ্ৰীভূমিৰ জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদী, শ্ৰীভূমি জিলা পৰিষদৰ উপ সভানেত্ৰী সাধিৰায় কুৰী, জিলা পৰিষদৰ  সদস্য, শ্ৰীভূমি জিলাৰ বিভিন্ন ব্লকৰ বিডিঅ' আৰু বিভিন্ন বিভাগীয় অধিকাৰীসকল উপস্থিত থাকে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ  গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫ৰ পুৰস্কাৰসমূহ আজি প্ৰদান কৰা হয়। আকাশবাণী গুৱাহাটীৰ সন্মিলন কক্ষত দিনৰ ২ বজাত অনুষ্ঠিত বঁটা বিতৰণি অনুষ্ঠানত নিষ্ঠা বৰগোহাঁই-প্ৰথম, দিব্যা আত্ৰে-দ্বিতীয়, অন্বেষা ফুকন আৰু ৰোহিত গাওঁখোৱাক যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। এই বঁটা বিতৰণী অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মুৰব্বী ৰবীন বড়োয়ে আদৰণি ভাষণ আগবঢ়ায়। অনুষ্ঠানসমূহৰ মুৰব্বী কৰ্ড'লিন থেংকুৱে প্ৰতিযোগীসকলক শুভেচ্ছা জনাই আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানসমূহৰ চমু আলোকপাত কৰে। বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে এই প্ৰতিযোগিতাৰ পটভূমিৰ ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠান কাৰ্যবাহী কাৰ্তিক সূত্ৰধৰ, চন্দ্ৰিমা শৰ্মাৰ লগতে প্ৰচাৰণ কাৰ্যবাহী অজয় বৰা আৰু বাতৰি পৰিবেশক অৰুণিমা গোস্বামীয়ে নিজৰ ভাষণত প্ৰয়াত গোলাপ শইকীয়াৰ স্মৃতি সোঁৱৰণ কৰে। অনুষ্ঠানত উপস্থিত থকা দুগৰাকী বিজয়ী প্ৰতিযোগীৰ অভিভাৱক অভিজিৎ বৰগোহাঁই আৰু গজেন শৰ্মাই আকাশবাণীৰ বাতৰি বিভাগৰ এই প্ৰচেষ্টাৰ শলাগ লয়।

প্ৰতিযোগিতাত বিজয়ীসকলৰ সৈতে অন্তৰংগ আলাপেৰে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। তেওঁলোকৰ সৈতে কথা পাতিছে আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সন্থাই আয়োজন কৰি অহা অসম গ্ৰন্থমেলাৰ বাবে লখিমপুৰত প্ৰস্তুতি সম্পূৰ্ণ হৈছে। লখিমপুৰ কমাৰ্চ কলেজৰ স্পোৰ্টছ্ কমপ্লেক্সত ভাষা সাহিত্য সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে কাইলৈৰ পৰা ১০ দিনীয়াকৈ অসম গ্ৰন্থমেলা  অনুষ্ঠিত হ'ব। কাইলৈ বিয়লি চাৰে তিনি বজাত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰনোজ পেগুৱে গ্ৰন্থমেলাখন উদ্বোধন কৰিব। পশ্চিমবংগৰ বিশিষ্ট সাহিত্যিক বিনোদ ঘোষাল বিশেষ অতিথিৰূপে উপস্থিত থাকিব। কাইলৈৰ উদ্বোধনী সভাত  বিধায়ক মানৱ ডেকা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° অৰূপজ্যোতি চৌধুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিভাস চৌধুৰী আৰু লখিমপুৰৰ জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি উপস্থিত থাকিব। গ্ৰন্থমেলাৰ দিনকেইটাত ভাষা সাহিত্য, সংস্কৃতি, ইতিহাস আদি ভিন্ন বিষয় সামৰি আলোচনাচক্ৰ অনুষ্ঠিত হ'ব।

০০০০০

শোণিতপুৰ জিলাৰ আয়ুক্ত আনন্দ কুমাৰ দাসৰ সভাপতিত্বত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। সভাত জিলাখনৰ অসম্পূৰ্ণ প্ৰকল্পসমূহ শীঘ্ৰে সম্পূৰ্ণ কৰা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি অংশীদাৰ বিভাগসমূহক সক্ৰিয়তাৰে কাম কৰিবলৈ আহ্বান জনোৱা হয়। এই সভাতেই কৃষি বিভাগে কৃষক পঞ্জীয়ন আৰু ডিজিটেল শস্য জৰীপৰ অগ্ৰগতি সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰে। লোক নিৰ্মাণ গৃহ বিভাগৰ অধীনত চলি থকা বৃহৎ আন্তঃগাথনিগত প্ৰকল্পসমূহ বিশেষকৈ জিলা পুথিভড়াল প্ৰেক্ষাগৃহৰ কাম সময়মতে সম্পূৰ্ণ কৰাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হয়। এই সভাত জিলা উন্নয়ন আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়া, অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

০০০০

অসম চৰকাৰে যোৱা ১৮ ছেপ্তেম্বৰৰ পৰা আয়োজন কৰা বিধানসভা সমষ্টিভিত্তিক স্বাস্থ্য শিবিৰৰ অংশ হিচাপে আজি মহানগৰীৰ দক্ষিণ বেলতলা উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত এটা স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। শুশ্ৰুষা সেতুৰ অধীনত কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন অসমৰ যুটীয়া সহযোগত আজি দিশপুৰ বিধানসভা সমষ্টিত এই স্বাস্থ্য শিবিৰ সম্পন্ন হয়। দিশপুৰ সমষ্টিৰ বিধায়ক অতুল বৰাই এই শিবিৰৰ শুভাৰম্ভ কৰে। ১৮ বছৰ অনুৰ্ধ শিশু আৰু কিশোৰ কিশোৰীৰ প্ৰাথমিক ৰোগ চিনাক্তকৰণ আৰু প্ৰয়োজনীয় চিকিৎসা সেৱা প্ৰদানৰ উদ্দেশে এই শিবিৰৰ আয়োজন কৰা হয়।

০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিতীয়খন টি-২০ প্ৰতিযোগিতাত ভাৰত চাৰি উইকেটত পৰাজিত হৈছে। আজি মেলবৰ্ণত অনুষ্ঠিত খেলখনত ভাৰতে প্ৰথমে বেট ধৰি ১৮ অভাৰ চাৰিটা বলত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১২৫ ৰানহে সংগ্ৰহ কৰে। ভাৰতৰ হৈ অভিষেক শৰ্মাই সৰ্বাধিক ৬৮ আৰু হৰ্ষিত ৰাণাই ৩৫ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ১৩ অভাৰ আৰু দুটা বলতে ছয় উইকেটৰ বিনিময়ত ১২৬ ৰান সংগ্ৰহ কৰি বিজয় সাব্যস্ত কৰে। ৫ খনীয়া টি-২০ শৃংখলাত অষ্ট্ৰেলিয়াই ১-০ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ